# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 16-03-2025
**Time :** 19-10 Hrs

***Assamese Evening Bulletin***
***Headlines***

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ভাৰতক গৌতম বুদ্ধ আৰু মহাত্মা গান্ধীৰ ভূমি বুলি অভিহিত কৰি কয় যে ভাৰতে কথা কলে বিশ্বই শুনে।

২। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি উত্তৰ পূৰ্বাঞ্চলত নতুন ফৌজদাৰী আইন ৰূপায়ণৰ বিষয়ে সংশ্লিষ্ট ৰাজ্যৰ মুখ্যমন্ত্ৰীসকলৰ সৈতে এখন পৰ্যালোচনা বৈঠকত অংশগ্ৰহণ কৰে।

৩। নিউজিলেণ্ডৰ প্ৰধানমন্ত্ৰী ক্ৰিষ্ট'ফাৰ লাক্সন ৫ দিনীয়া ভাৰত ভ্ৰমণসূচীৰে আজি নতুন দিল্লীত উপস্থিত হয়।

৪। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ নতুন দিল্লীত নিউজিলেণ্ডৰ প্ৰধানমন্ত্ৰী ক্ৰিষ্ট'ফাৰ লাক্সনৰ সৈতে **ৰাইছিনা আলোচনা ২০২৫** উদ্বোধন কৰিব। ***আৰু***

৫। প্ৰচাৰ ভাৰতীক কালি নতুন দিল্লীত অনুষ্ঠিত হকী ইণ্ডিয়া সপ্তম বাৰ্ষিক বঁটা ২০২৪ ৰ হকী ইণ্ডিয়া জামানলাল শৰ্মা বঁটা ২০২৪ ৰে সন্মানিত কৰা হৈছে।

00000

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ভাৰতক গৌতম বুদ্ধ আৰু মহাত্মা গান্ধীৰ ভূমি উল্লেখ কৰি কয় যে ভাৰতে কথা কলে বিশ্বই শুনে। কৃত্ৰিম বুদ্ধিমত্তাৰ গৱেষক তথা পডকাষ্টৰ বাবে বিখ্যাত লেক্স ফ্ৰিডমেনৰ সৈতে হোৱা এটা সাক্ষাৎকাৰত শ্ৰীমোদীয়ে কয়, যে ভাৰতীয়সকলে সম্প্ৰীতিক আকোৱালি লোৱাৰ লগতে শান্তি বিচাৰে। ৰাছিয়া-ইউক্ৰেইনৰ সংঘৰ্ষ সন্দৰ্ভত এটা প্ৰশ্নৰ উত্তৰত শ্ৰীমোদীয়ে কয় যে দুয়োখন ৰাষ্ট্ৰই বুজাবুজিৰ মাজলৈ আহিলেহে সংঘৰ্ষ সমাধানৰ পথ প্ৰশস্ত হ'ব। ইউক্ৰেইনে মিত্ৰ দেশসমূহৰ সৈতে বহুবাৰ আলোচনাত মিলিত হ'লেও উভয় পক্ষই আলোচনা নকৰালৈকে এয়া ফলৱৰ্তী নহব বুলি মত প্ৰকাশ কৰে। সাম্প্ৰতিক পৰিস্থিতিয়ে ভাৰত আৰু ইউক্ৰেইনৰ মাজত অৰ্থপূৰ্ণ তথা সফল আলোচনাৰ বাট মুকলি কৰা বুলিও তেওঁ উল্লেখ কৰে। ভাৰত আৰু চীনৰ সম্পৰ্ক সন্দৰ্ভত শ্ৰীমোদীয়ে কয় যে দুয়োখন দেশৰে পুৰাতন সংস্কৃতি তথা ইতিহাস থকাৰ লগতে উভয় দেশৰ মাজৰ সম্পৰ্কটো নতুন বুলি কব নোৱাৰি। তেওঁ কয় যে ভাৰত আৰু চীনে উমৈহতীয়াভাৱে আন্তৰাষ্ট্ৰীয় প্ৰগতিৰ হকে বৰঙণি যোগাইছে। পূৰ্বৰ শতিকাসমূহত ভাৰত আৰু চীনৰ সংঘৰ্ষৰ কোনো নজিৰ নাই বুলি তেওঁ প্ৰকাশ কৰে। দুয়োখন দেশৰ মাজৰ শক্তিশালী সম্পৰ্ক ভৱিষ্যতেও অব্যাহত থাকিব বুলি আশা প্ৰকাশ কৰে। চুবুৰীয়া ৰাষ্ট্ৰসমূহৰ মাজত বহুক্ষেত্ৰত পাৰ্থক্য থকাটো স্বাভাৱিক বুলি উল্লেখ কৰি তেওঁ কয় যে এনে ক্ষেত্ৰত সময়ে সময়ে মত পাৰ্থক্য থাকিব পাৰে। এই পাৰ্থক্য যাতে কোনো সংঘৰ্ষৰ সৃষ্টি নকৰে তাক সুনিশ্চিত কৰাটো গুৰুত্বপূৰ্ণ বুলি মত প্ৰকাশ কৰে।

00000

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি কোকৰাঝাৰত প্ৰকাশ কৰে যে, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত বড়োলেণ্ড অঞ্চলৰ উন্নয়নৰ বাবে কেন্দ্ৰীয় চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ। আজি কোকৰাঝাৰ জিলাৰ দোতমাত অনুষ্ঠিত নিখিল বড়ো ছাত্ৰ সন্থাৰ ৫৭ সংখ্যক বাৰ্ষিক অধিবেশনত মুখ্য অতিথি হিচাপে কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে অংশগ্ৰহণ কৰি কয়, যে বড়ো চুক্তিৰ সকলোবোৰ দফা অহা ২ বছৰৰ ভিতৰত এশ শতাংশ ৰূপায়ণ কৰা হ'ব। তেওঁ প্ৰকাশ কৰে যে, ইতিমধ্যে কেন্দ্ৰই বড়ো চুক্তিখনৰ ৮২ শতাংশ কাম ৰূপায়ণ কৰিছে।

শ্ৰীশ্বাহে কয়, যে বৰ্তমান বড়োলেণ্ড প্ৰাদেশিকৃত অঞ্চলত শান্তি বিৰাজ কৰিছে। আগতে এই অঞ্চলটো হিংসাজৰ্জৰ অঞ্চল হিচাপে পৰিগণিত আছিল যদিও বৰ্তমান এই অঞ্চলৰ যুৱক-যুৱতীসকলে উন্নয়নক অগ্ৰাধিকাৰ দিছে বুলি গৃহমন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে। দিল্লীত বড়োফা উপেন্দ্ৰ নাথ ব্ৰহ্মাৰ আৱক্ষ মূৰ্তি এটা নিৰ্মাণ কৰাৰ উপৰিও অতি শীঘ্ৰে দিল্লীৰ এটা পথৰ নামো তেখেতৰ নামত নামকৰণ কৰা হ'ব বুলি কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। এই অনুষ্ঠানতে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই ভাষণ প্ৰদান কৰি কেইবাটাও শৈক্ষিক আন্তঃগাথনিৰ কথা ঘোষণা কৰে।

গৃহমন্ত্ৰীগৰাকীয়ে নতুন দিল্লীলৈ উভতি যোৱাৰ পূৰ্বে উত্তৰ পূৰ্বাঞ্চলৰ ৰাজ্যসমূহত নতুন ফৌজদাৰী আইন বলবৎৰ বিষয়ে উত্তৰ পূৱৰ আঠোখন ৰাজ্যৰ মুখ্যমন্ত্ৰীসকলৰ লগত গুৱাহাটীত এখন পৰ্যালোচনা বৈঠকত অংশগ্ৰহণ কৰে।

ooooo

ভাৰত আৰু নিউজিলেণ্ডে এখন ব্যাপক আৰু পাৰস্পৰিক লাভজনক মুক্ত বাণিজ্য চুক্তিৰ ওপৰত আলোচনা কৰিব বুলি ঘোষণা কৰিছে। আজি নতুন দিল্লীত বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী পিযুষ গোৱেল আৰু নিউজিলেণ্ডৰ বাণিজ্য আৰু বিনিয়োগ মন্ত্ৰী টড মেকক্লেৰ মাজত হোৱা আলোচনাত এই কথা সদৰি কৰা হয়। সামাজিক মাধ্যমযোগে শ্ৰীগোৱেলে কয় যে এই দ্বিপাক্ষিক অংশীদাৰিত্বৰ চুক্তিৰ জৰিয়তে দুয়োখন দেশৰ মাজৰ বাণিজ্যিক সম্পৰ্ক আৰু অধিক গভীৰ আৰু সম্প্ৰসাৰিত হ'ব। তেওঁ আৰু কয় যে এই দ্বিপাক্ষিক বাণিজ্য ক্ৰমাগতভাৱে বৃদ্ধি পাইছে আৰু ২০২৪ চনৰ এপ্ৰিলৰ পৰা ২০২৫ চনৰ জানুৱাৰীলৈকে এই বাণিজ্য এক বিলিয়ন মাৰ্কিন ডলাৰ অতিক্ৰম কৰিছে।

ooooo

নিউজিলেণ্ডৰ প্ৰধানমন্ত্ৰী ক্ৰিষ্ট'ফাৰ লাক্সন ৫ দিনীয়া ভাৰত ভ্ৰমণসূচীৰে আজি নতুন দিল্লীত উপস্থিত হয়। তেওঁৰ সৈতে দেশখনৰ কেইবাগৰাকীও মন্ত্ৰী, জ্যেষ্ঠ বিষয়া, উদ্যোগপতি আৰু ভাৰতীয় সম্প্ৰদায়ৰ সদস্যকে ধৰি এটা উচ্চস্তৰীয় প্ৰতিনিধি দলো ভাৰতলৈ আহিছে। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে এখন বিজ্ঞপ্তিত প্ৰকাশ কৰে, যে নিউজিলেণ্ডৰ প্ৰধানমন্ত্ৰীগৰাকীয়ে কাইলৈ ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সৈতে আলোচনাত মিলিত হ'ব। দুয়োগৰাকী নেতাই দেশ দুখনৰ মাজৰ সম্পৰ্কৰ বিভিন্ন দিশ সামৰি আলোচনা কৰিব। শ্ৰীলাক্সনে দশম ৰাইচিনা আলোচনা ২০২৫ ৰ উদ্বোধনী সত্ৰত মুখ্য অতিথি হিচাপে উপস্থিত থাকি মূল ভাষণ প্ৰদান কৰিব। তেওঁ লগতে ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুকো সাক্ষাৎ কৰিব।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ নতুন দিল্লীত নিউজিলেণ্ডৰ প্ৰধানমন্ত্ৰী ক্ৰিষ্ট'ফাৰ লাক্সনৰ সৈতে **ৰাইছিনা আলোচনা ২০২৫** উদ্বোধন কৰিব। উল্লেখযোগ্য যে ৰাইচিনা আলোচনাৰ দশম সংস্কৰণ কাইলৈৰ পৰা অহা ১৯

মাৰ্চলৈ অনুষ্ঠিত হ'ব। এই আলোচনা হৈছে ভূ-ৰাজনৈতিক আৰু ভূ-অৰ্থনৈতিক বিষয়সমূহৰ লগতে গোলকীয় সম্প্ৰদায়ে সন্মুখীন হৈ অহা বিভিন্ন প্ৰত্যাহ্বানসমূহৰ বিষয়ে আলোচনাৰ বাবে ভাৰতৰ এখন অনন্য আগশাৰীৰ সন্মিলন। বিশ্বই সন্মুখীন হৈ অহা বিভিন্ন সমস্যা সমাধানৰ উপায়ৰ লগতে সমসাময়িক বিষয়সমূহৰ ক্ষেত্ৰত সহযোগিতাৰ অন্বেষণ কৰাৰ উদ্দেশ্যে প্ৰতিবছৰে ৰাজনৈতিক, উদ্যোগিক, সংবাদ মাধ্যম তথা অসামৰিক সংস্থাসমূহৰ নেতাসকল আলোচনাত মিলিত হৈ আহিছে।

বিভিন্ন দেশৰ বিশিষ্ট ব্যক্তিসকল ৰাইচিনা আলোচনাত অংশগ্ৰহণ কৰাৰ উদ্দেশ্যে ইতিমধ্যে নতুন দিল্লীত আহি উপস্থিত হৈছে। এই আলোচনাৰ বাবে ইতিমধ্যে উপস্থিত হোৱা নেতাসকলৰ ভিতৰত কিউবাৰ উপ প্ৰধানমন্ত্ৰী এদুৱাৰ্দো মাৰ্টিনেজ দাইজ, ঘানাৰ বৈদেশিক পৰিক্ৰমা মন্ত্ৰী চেমুৱেল অকুদজেটো এবলাকৱা, লাক্সেমবাৰ্গৰ উপ প্ৰধানমন্ত্ৰী জেভিয়াৰ বেটেল আৰু শ্লোভেনিয়াৰ বৈদেশিক পৰিক্ৰমা মন্ত্ৰী তাঞ্জা ফাজন, পেৰুৰ বৈদেশিক পৰিক্ৰমা মন্ত্ৰী এলমাৰ চিয়ালাৰ চালচেদো আৰু মালদীপৰ প্ৰাক্তন ৰাষ্ট্ৰপতি মহম্মদ নাছিদ আছে।

ooooo

কেন্দ্ৰীয় শিক্ষামন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানে পাটনাৰ দানাপুৰ অঞ্চলৰ এগৰাকী মেধাৱী দৰিদ্ৰ কন্যা খুছবু কুমাৰীক সহায় কৰিবলৈ আগবাঢ়ি আহিছে। বিজ্ঞান শাখাত নামভৰ্তি কৰি ভৱিষ্যতে ডক্টৰ হোৱাৰ সপোন বাস্তৱায়িত কৰিবলৈ পিতৃ অপাৰগ হোৱা বিষয়টো কেন্দ্ৰীয় মন্ত্ৰীগৰাকীৰ দৃষ্টিগোচৰ হোৱাত এই পদক্ষেপ গ্ৰহণ কৰে। মন্ত্ৰীগৰাকীয়ে কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী কন্যা শিক্ষা প্ৰসাৰৰ বাবে অধিক যত্নপৰ। এনে ক্ষেত্ৰত তেওঁলোকক নিৰুৎসাহিত কৰা উচিত নহয়। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে পাটনাৰ জিলা দণ্ডাধীশক ছাত্ৰীগৰাকীক আৰ্থিকভাৱে সহায় আগবঢ়াবলৈ সম্ভৱপৰ সকলো সহায়ৰ বাবে নিৰ্দেশ দিয়ে।

ooooo

উত্তৰ মেচেদনিয়াৰ পূৱৰ চহৰ কোকানিৰ এটা নাইট ক্লাৱত আজি পুৱা সংঘটিত হোৱা এটা অগ্নিকাণ্ডত কমেও ৫১ জন লোক নিহত হোৱাৰ লগতে এশজনতকৈ অধিক লোক আহত হয়। দেশখনৰ জনপ্ৰিয় হিপহপ বেণ্ড দি এন কেৰ সংগীতানুষ্ঠান চলি থকাৰ সময়তে এই দুৰ্ঘটনাটো সংঘটিত হয়।

ooooo

দিল্লী বিধানসভাৰ নৱ নিৰ্বাচিত সদস্যসকলৰ বাবে অহা মঙলবাৰৰ পৰা নতুন দিল্লীত দুদিনীয়াকৈ প্ৰশিক্ষণ কাৰ্যসূচী আৰম্ভ কৰা হৈছে। লোকসভাৰ অধ্যক্ষ ওম বিৰলাই উদ্বোধন কৰিবলগীয়া এই কাৰ্যসূচীৰ মূল লক্ষ্য হৈছে বিধায়কসকলক সংসদীয় পদ্ধতি, আচৰণ বিধি আৰু উত্তম শাসন ব্যৱস্থাৰ ওপৰত প্ৰশিক্ষণ প্ৰদান কৰা হ'ব।

ooooo

প্ৰচাৰ ভাৰতীক কালি নতুন দিল্লীত অনুষ্ঠিত হকী ইণ্ডিয়া সপ্তম বাৰ্ষিক বঁটা ২০২৪ ৰ হকী ইণ্ডিয়া জামানলাল শৰ্মা বঁটা ২০২৪ ৰে সন্মানিত কৰা হৈছে। সমগ্ৰ দেশতে হকীৰ প্ৰচাৰ আৰু সম্প্ৰচাৰৰ ক্ষেত্ৰত প্ৰচাৰ ভাৰতীৰ অক্লান্ত প্ৰচেষ্টাক সন্মান জনাই এই বঁটা প্ৰদান কৰা হয়। অনুষ্ঠানত হকী ইণ্ডিয়াই ১৯৭৫ চনৰ বিশ্বকাপৰ বিজয়ী সদস্যসকলক সম্বৰ্ধনা জনোৱাৰ লগতে হকী ইণ্ডিয়াৰ মেজৰ ধ্যানচন্দ জীৱনযোৱা সাধনা বঁটা আৰু নগদ ৫০ লাখ টকাৰ পুৰস্কাৰ প্ৰদান কৰে।

ooooo

আকাশবাণীৰ বাতৰি সেৱা বিভাগৰ দ্বিভাষিক ফোন ইন অনুষ্ঠান পাব্লিক স্পীকত কাইলৈ নিশা চাৰে ন বজাত **জন্মতে দেখা দিয়া বিসংগতি তথা এই সম্পৰ্কীয় আনুসংগিক সমস্যা** সন্দৰ্ভত নতুন দিল্লীৰ সৰ্বভাৰতীয় আয়ুৰ্বিজ্ঞান প্ৰতিষ্ঠানৰ শিশু শল্য চিকিৎসা বিভাগৰ অধ্যাপক ডাঃ প্ৰবোধ গোৱেল আৰু নতুন দিল্লীৰ স্বামী দয়ানন্দ চিকিৎসালয়ৰ শিশু চিকিৎসা সম্পৰ্কীয় বিভাগসমূহৰ মুৰব্বী ডাঃ সুৰেন্দৰ সিং বিষ্টৰ সৈতে হোৱা বিশেষ আলোচনা সম্প্ৰচাৰ কৰা হ'ব। আগ্ৰহী শ্ৰোতাসকলে অনুষ্ঠান চলি থকাৰ সময়ত ০১১-২৩৪২ ১০৫০ আৰু ০১১ ২৩৩১ ৪৪৪৪ নম্বৰত ফোন কৰি সমল ব্যক্তিসকলক এই সন্দৰ্ভত প্ৰশ্ন সুধিব পাৰিব। তেওঁলোকে ৱাটছ্এপ যোগে ৯২৮৯০ ৯৪০৪৪ নম্বৰলৈও প্ৰশ্ন প্ৰেৰণ কৰিব পাৰিব। আকাশবাণীৰ এফএম গ'ল্ড চেনেল আৰু অতিৰিক্ত ফ্ৰিকুয়েন্সিসমূহৰ যোগেদি এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। শ্ৰোতাসকলে আমাৰ ৱেবছাইট newsonair.co.in আৰু ইউটিউব চেনেল newsonairofficial যোগেও এই অনুষ্ঠান শুনিবলৈ পাব।

ooooo

সমাপ্ত